দিনাংক- ১৯ এপ্ৰিল ২০১৪

**অভিযানসূচী- ১৯ এপ্ৰিল ২০১৪**

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা

**প্ৰধানমন্ত্ৰীৰ ভাষন**

কিছুদিন পুৰ্বে প্ৰকাশ হোৱা দুখন গ্ৰন্থই সৃষ্টি কৰা বিতৰ্কৰ প্ৰতিক্ৰিয়া হিচাপে প্ৰধানমন্ত্ৰীৰ কাৰ্য্যালয়ে স্পষ্ট কৰিব বিচাৰিছে যে বিগত দহ বৰ্ষত প্ৰধানমন্ত্ৰীয়ে ১২০০ বাৰ ভাষণ দিছে । তেওঁলোকে এনে মন্তব্য দি ভাবিছিল যে প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিঙে কথা নোকোৱাৰ অভিযোগক নশ্চ্যাত কৰিব পাৰিব ।

প্ৰধানমন্ত্ৰী হৈছে দেশৰ এজন গুৰুত্বপূৰ্ণ ৰাজনৈতিক কাৰ্য্যকাৰী বিষয়া । ভাৰতীয় গণতান্ত্ৰিক ব্যৱস্থা তেওঁৰ মুখ । তেওঁৰ মন্তব্যই নীতিৰ নিৰ্ধাৰণ কৰে । তেওঁ নেতৃত্ব প্ৰদান কৰে । জনসাধাৰণে তেওঁৰ পৰা সমস্যাৰ সমাধান কৰে । প্ৰধানমন্ত্ৰীৰ গুৰুত্ব কম হ'ব নোৱাৰে । তেওঁ জনসাধাৰণৰ মাজত বিশ্বাস আনিব পৰা হ'ব লাগিব । তেওঁৰ বিশ্বাসেৰে সমস্যাৰ সমাধান কৰিব লাগিব । শাসকীয় দলৰ তেওঁ এজন জনসমুদ্ৰক নেতৃত্ব দিব পৰা ব্যক্তি হ'ব লাগিব । ৰাজনীতি আৰু আদৰ্শ, দুয়োটাৰে ওপৰতে তেওঁৰ নিয়ন্ত্ৰণ থাকিব লাগিব ।

প্ৰধানমন্ত্ৰী কথা পাতিব'লৈ আগ্ৰহী হ'ব লাগে । তেওঁক আনে মনোযোগেৰে শুনিব পাৰিব লাগিব । তেওঁ কেৱল পঢ়ুৱৈ নহয়, নেতৃত্ব দিয়া বিধৰ হ'ব লাগে । ভাৰত ভ্ৰমণৰ সময়ত ৰাষ্ট্ৰপতি বাৰাক ওবামাই চেন্ট্ৰেল হল অফ পাৰ্লিয়ামেণ্টত ভাষণ দিয়াৰ লগতে বহুতো গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰিছে । তেওঁৰ সন্মানত যি ৰাষ্ট্ৰপতিৰ ভোজৰ আয়োজন কৰা হৈছিল তাত মই তেওঁৰ ভাষণ প্ৰস্তুত কৰা লোকৰ সৈতে কথা পতাৰ সুবিধা লাভ কৰিছিলো । তেওঁৰ প্ৰত্যেকটো ভাষণ, বিশেষজ্ঞই প্ৰস্তুত কৰিছিল আৰু তাৰ সঠিকতাৰ ওপৰত বহুতো বিষয়াৰ লগতে ৰাষ্ট্ৰপতিয়ে নিজেও গুৰুত্ব দিয়ে । তেওঁৰ বহুতো ভাষণ টেলিপ্ৰম্পটাৰৰ দ্বাৰা পঢ়া হয় । টেলিপ্ৰম্পটাৰৰ এখন সচ্ছ পৰ্দা থাকে । দৰ্শকৰ শাৰীত আমি ভাৱো যে এইয়া আকস্মিকভাৱে দিয়া ভাষণ । কিন্ত ৰাষ্ট্ৰপ্তিয়ে, আনকি চেণ্ট্ৰেল হল অফ পাৰ্লিয়ামেণ্টতো দুটা টেলিপ্ৰ'ম্পটাৰৰ দ্বাৰা ভাষণ পঢ়িছিল । তেওঁ দিয়া ভাষণে বহুতো প্ৰভাৱ সৃষ্টি কৰে । আমাৰ প্ৰধানমন্ত্ৰীয়ে দিয়া ভাষণক জনসাধাৰণে শুনিব'ই নিবিচাৰে। তেওঁৰ ভাষণো মনত ৰখা নহয় আৰু ইয়াৰ চৰ্চাও কৰা নহয়। প্ৰধানমন্ত্ৰীৰ কাৰ্য্যালয়ে সঠিকেই কৈছে । প্ৰধানমন্ত্ৰীয়ে ভাষণ দিছে কিন্ত তেওঁক কোনোৱে শুনা নাই । প্ৰধানমন্ত্ৰীয়ে বৰফত খোজ কাঢ়ে, কিন্ত ভৰিৰ ছাপ নেৰে ।

## শ্ৰীযুত ৰবাৰ্ট ৱাড্ৰাৰ নাম ৱালষ্ট্ৰীট জাৰ্নেলত প্ৰকাশ পাইছে

শ্ৰীযুত ৰবাৰ্ট ৱাড্ৰালৈ মোৰ শুভকামনা । তেওঁৰ নাম ৱালষ্ট্ৰীট জাৰ্নেলত প্ৰকাশ পাইছে । তেওঁৰ যি ব্যৱসায়ৰ আৰ্হি, সেইয়া বহুতো গুৰুত্বপূৰ্ণ ব্যৱসায়ৰ বিশ্লেষকে গৱেষণা কৰাৰ বাবে বিচাৰিছে । কোনো বিনিয়োগ নকৰাকে ব্যৱসায়ৰ আৰম্ভণি কৰে । ৰাজনৈতিক সম্বন্ধ ভাল হোৱাৰ বাবে বিনিয়োগৰ বাবে লোণ আৰু সুবিধাসমূহ পাব'ই । এই ধন বজাৰ মূল্যতকৈ কম মূল্যত সম্পত্তি ক্ৰয় কৰাৰ বাবে ব্যৱহাৰ কৰ হয়। বহুত লোকে যথেষ্ট কম মূল্যত নিজৰ সমত্তি বিক্ৰী কৰি দিয়ে আৰু ৰাজ্য চৰকাৰৰ সহায়ত এনে সম্পত্তিবোৰ সংগ্ৰহ কৰা হয় । ইয়াৰ পাছত কিছুমান সম্পত্তি বিক্ৰী কৰি লোণৰ পৰিশোধ কৰি দিয়া হয় । বাকী সম্পত্তি নিজৰ হৈ পৰে আৰু আনক দিবলগীয়াও নাথাকে । এনে ব্যৱসায়ৰ আৰ্হিয়ে বহুতো প্ৰশ্ন উত্থাপন কৰিছে । গম্ভীৰ প্ৰশ্নৰ উত্থাপন কৰা এইয়া উপযুক্ত সময় । ৱালষ্ট্ৰীট জাৰ্নেলে ইয়াকে কৰিছে ।

## অমৃতস্বৰত বিছন বেদী

যোৱাকালি মোৰ বন্ধু বিছন বেদী অমৃতস্বৰলৈ আহিছিল । তেওঁৰ এই ভ্ৰমণ অলপ বেলেগ আছিল । তেওঁ এনে এটা ৰাজনৈতিক দলৰ প্ৰচাৰ কৰিব'লৈ আহিছে যি ভাৰতৰ ইতিহাসত যথেষ্ট দূৰ্ণীতিগ্ৰস্থ চৰকাৰ দিছে । তেওঁ এনে এজন প্ৰাৰ্থীক লৈ প্ৰচাৰ কৰিব'লৈ আহিছে যি প্ৰিভেনচন অফ ক'ৰাপছন এক্টৰ অন্তৰ্গত অভিযোগী । বিছন বেদী সদায় অভিষাপ মুক্ত, আনকি অনৈতিক কাৰ্য্যকলাপৰো তেওঁ ষাপমুক্ত হিচাপে কাম কৰিছে ।